# অসম আদিত্য

৩৫৩ ■ ১২ পুহ, ১৯৪৬ শক ■ শনিবাৰ, ২৮ ডিচেম্বৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Saturday, December 28, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা

### প্ৰশিক্ষণে কৰ্মচাৰীৰ জ্ঞান, দক্ষতা আৰু উৎপাদনশীলতা বৃদ্ধি কৰে ঃ অধ্যক্ষ ড° শইকীয়া

## কানৈ মহাবিদ্যালয়ত দুইশতাধিক কলেজ কৰ্মচাৰীক প্ৰশিক্ষণ



**ষ্টাফ ৰিপৰ্টাৰ, ২৭ ডিচেম্বৰ ঃ** 'প্ৰশিক্ষণে এজন কৰ্মচাৰীৰ জ্ঞান, দক্ষতা আৰু উৎপাদনশীলতা বৃদ্ধি কৰে। নিয়মীত প্ৰশিক্ষণৰ জৰিয়তে এজন কৰ্মচাৰীক দক্ষ আৰু উপযুক্তভাৱে গঢ় দিব পাৰি।' সদৌ অসম কলেজ কৰ্মচাৰী সংস্থা ডিব্ৰুগড় জিলা, তিনিচুকীয়া জিলা আৰু কানৈ মহাবিদ্যালয় গোটৰ উদ্যোগত আৰু কানৈ মহাবিদ্যালয়ৰ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সহযোগত কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। ডিব্ৰুগড়, তিনিচুকীয়া, ধেমাজি, মাজুলী আৰু অন্যান্য জিলাৰ মহাবিদ্যালয়সমূহৰ অনাশিক্ষক কৰ্মচাৰীসকলৰ এক প্ৰশিক্ষণ কাৰ্যসূচীত অধ্যক্ষগৰাকীয়ে কয়— কৰ্মচাৰীসকলে চৰকাৰৰ পৰা যিমানবোৰ সা-সুবিধা লাভ কৰে সেই অনুপাতে কৰ্মচাৰীসকলে নিজৰ দায়িত্ব আৰু কৰ্তব্য সূচাৰুৰূপে পালন কৰিলে এখন দেশ বা ৰাজ্য উন্নতিৰ শিখৰত আগুৱাই যোৱাত সহজ হৈ পৰে। উচ্চ শিক্ষা বিভাগ অসমৰ যুটীয়া সঞ্চালকৰ পৰা লাভ কৰা এক পত্ৰ অনুসৰি কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হোৱা প্ৰশিক্ষণ কাৰ্যসূচীৰ বন্তি প্ৰজ্বলন কৰে তিনিচুকীয়া জিলা কলেজ কৰ্মচাৰী সংস্থাৰ সভাপতি নয়ন মাধৱ সোনোৱালে। কানৈ মহাবিদ্যালয়ৰ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সহকাৰী সমন্বয়ক প্ৰীতিযা দাসে আঁত ধৰা প্ৰশিক্ষণ কাৰ্যসূচীত আদৰণী ভাষণ প্ৰদান কৰে ডি এইচ এছ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড০ শৈলেন গগৈয়ে। আদৰণী ভাষণ প্ৰসংগত ড০ গগৈয়ে কয়— আজিৰ এই প্ৰশিক্ষণ কাৰ্যসূচীৰ দ্বাৰা মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল যথেষ্ট উপকৃত হ'ব। তেওঁ কয়— চৰকাৰে নিয়মীতভাৱে কৰ্মচাৰীসকলৰ মাজত এনেধৰণৰ প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ কৰি থাকিলে কৰ্মচাৰীসকলৰ মাজত দক্ষতা বৃদ্ধিৰ লগতে কৰ্তব্যনিষ্ঠাৰ ভাৱো অধিক জাগ্ৰত হ'ব। মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলৰ মাজত দক্ষতা বিকাশৰ বাবে অনুষ্ঠিত হোৱা এই প্ৰশিক্ষণ কাৰ্যসূচীত উচ্চশিক্ষা বিভাগ অসমৰ বিত্তীয় উপদেষ্টা নয়নমণি শৰ্মা আৰু অভ্যন্তৰীণ অডিটৰ প্ৰশান্ত কুমাৰ দাসে প্ৰশিক্ষণ প্ৰদান কৰে। নতুন পেঞ্চন নীতিকে আৰম্ভ কৰি কাৰ্যালয়ৰ সমূহ কাম-কাজ সূচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত কেনেধৰণৰ নীতি-নিৰ্দেশনা পালন কৰিব লাগে সেই সকলোখিনি পিপিটিৰ জৰিয়তে পুংখানুপুংখভাৱে অৱগত কৰে। উল্লেখ্য যে মুখ্য দ্বাৰৰ পৰা এন চি চি কেডেটে উষ্ম আদৰণি জনাই দুয়োগৰাকী বিষয়াকে সভাগৃহলৈ লৈ যোৱা প্ৰশিক্ষণ কাৰ্যসূচীত বিষয়াকেইগৰাকীক একোখনকৈ ফুলাম গামোচা, সম্বৰ্ধনা-পত্ৰ আৰু কাৰ্যসূচীৰ স্মৃতি বিজড়িত স্থিৰ চিত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ডিব্ৰুগড়, তিনিচুকীয়া, ধেমাজি, মাজুলীকে ধৰি অন্যান্য জিলাৰ প্ৰায় শতাধিক মহাবিদ্যালয়ৰ অনাশিক্ষক কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰা প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণকাৰী কৰ্মচাৰীসকলক একোখনকৈ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। কাৰ্যসূচীত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ প্ৰিয়দেৱ গোস্বামী, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈ, ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড০ জ্যোতি প্ৰসাদ ফুকনকে ধৰি ডিব্ৰুগড় জিলা কলেজ কৰ্মচাৰী সংস্থাৰ সভাপতি প্ৰদীপ শইকীয়া, সম্পাদক মৃদুল শইকীয়া, তিনিচুকীয়া জিলা কলেজ কৰ্মচাৰী সংস্থাৰ সম্পাদক নবুল বৰাকে ধৰি অসম কলেজ কৰ্মচাৰী কেন্দ্ৰীয় গোটৰ বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে। শেষত কানৈ মহাবিদ্যালয়ৰ কৰ্মচাৰী ভূৱন জ্যোতি বৰুৱাৰ শলাগৰ শৰাই আৰু অসম সংগীতেৰে দিনজোৰা এই প্ৰশিক্ষণ কাৰ্যসূচীৰ সফল সমাপ্তি ঘটে।



## প্ৰশিক্ষণে কৰ্মচাৰীৰ জ্ঞান, দক্ষতা আৰু উৎপাদনশীলতা বৃদ্ধি কৰে ঃ অধ্যক্ষ ড° শইকীয়া

# কানৈ মহাবিদ্যালয়ত দুইশতাধিক কলেজ কৰ্মচাৰীক প্ৰশিক্ষণ



**ষ্টাফ ৰিপৰ্টাৰ, ২৭ ডিচেম্বৰ ঃ** 'প্ৰশিক্ষণে এজন কৰ্মচাৰীৰ জ্ঞান, দক্ষতা আৰু উৎপাদনশীলতা বৃদ্ধি কৰে। নিয়মীত প্ৰশিক্ষণৰ জৰিয়তে এজন কৰ্মচাৰীক দক্ষ আৰু উপযুক্তভাৱে গঢ় দিব পাৰি।' সদৌ অসম কলেজ কৰ্মচাৰী সংস্থা ডিব্ৰুগড় জিলা, তিনিচুকীয়া জিলা আৰু কানৈ মহাবিদ্যালয় গোটৰ উদ্যোগত আৰু কানৈ মহাবিদ্যালয়ৰ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সহযোগত কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। ডিব্ৰুগড়, তিনিচুকীয়া, ধেমাজি, মাজুলী আৰু অন্যান্য জিলাৰ মহাবিদ্যালয়সমূহৰ অনাশিক্ষক কৰ্মচাৰীসকলৰ এক প্ৰশিক্ষণ কাৰ্যসূচীত অধ্যক্ষগৰাকীয়ে কয়— কৰ্মচাৰীসকলে চৰকাৰৰ পৰা যিমানবোৰ সা-সুবিধা লাভ কৰে সেই অনুপাতে কৰ্মচাৰীসকলে নিজৰ দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে পালন কৰিলে এখন দেশ বা ৰাজ্য উন্নতিৰ শিখৰত আগুৱাই যোৱাত সহজ হৈ পৰে। উচ্চ শিক্ষা বিভাগ অসমৰ যুটীয়া সঞ্চালকৰ পৰা লাভ কৰা এক পত্ৰ অনুসৰি কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হোৱা প্ৰশিক্ষণ কাৰ্যসূচীৰ বন্তি প্ৰজ্বলন কৰে তিনিচুকীয়া জিলা কলেজ কৰ্মচাৰী সংস্থাৰ সভাপতি নয়ন মাধৱ সোনোৱালে। কানৈ মহাবিদ্যালয়ৰ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সহকাৰী সমন্বয়ক প্ৰীতিযা দাসে আঁত ধৰা প্ৰশিক্ষণ কাৰ্যসূচীত আদৰণী ভাষণ প্ৰদান কৰে ডি এইচ এছ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড০ শৈলেন গগৈয়ে। আদৰণী ভাষণ প্ৰসংগত ড০ গগৈয়ে কয়— আজিৰ এই প্ৰশিক্ষণ কাৰ্যসূচীৰ দ্বাৰা মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল যথেষ্ট উপকৃত হ'ব। তেওঁ কয়— চৰকাৰে নিয়মীতভাৱে কৰ্মচাৰীসকলৰ মাজত এনেধৰণৰ প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ কৰি থাকিলে কৰ্মচাৰীসকলৰ মাজত দক্ষতা বৃদ্ধিৰ লগতে কৰ্তব্যনিষ্ঠাৰ ভাবো অধিক জাগ্ৰত হ'ব। মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলৰ মাজত দক্ষতা বিকাশৰ বাবে অনুষ্ঠিত হোৱা এই প্ৰশিক্ষণ কাৰ্যসূচীত উচ্চশিক্ষা বিভাগ অসমৰ বিত্তীয় উপদেষ্টা নয়নমণি শৰ্মা আৰু অভ্যন্তৰীণ অডিটৰ প্ৰশান্ত কুমাৰ দাসে প্ৰশিক্ষণ প্ৰদান কৰে। নতুন পেঞ্চন নীতিকে আৰম্ভ কৰি কাৰ্যালয়ৰ সমূহ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত কেনেধৰণৰ নীতি-নিৰ্দেশনা পালন কৰিব লাগে সেই সকলোখিনি পিপিটিৰ জৰিয়তে পুংখানুপুংখভাৱে অৱগত কৰে। উল্লেখ্য যে মুখ্য দ্বাৰৰ পৰা এন চি চি কেডেটে উষ্ম আদৰণি জনাই দুয়োগৰাকী বিষয়াকে সভাগৃহলৈ লৈ যোৱা প্ৰশিক্ষণ কাৰ্যসূচীত বিষয়াকেইগৰাকীক একোখনকৈ ফুলাম গামোচা, সম্বৰ্ধনা-পত্ৰ আৰু কাৰ্যসূচীৰ স্মৃতি বিজড়িত স্থিৰ চিত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ডিব্ৰুগড়, তিনিচুকীয়া, ধেমাজি, মাজুলীকে ধৰি অন্যান্য জিলাৰ প্ৰায় শতাধিক মহাবিদ্যালয়ৰ অনাশিক্ষক কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰা প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণকাৰী কৰ্মচাৰীসকলক একোখনকৈ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। কাৰ্যসূচীত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ প্ৰিয়দেৱ গোস্বামী, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈ, ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড০ জ্যোতি প্ৰসাদ ফুকনকে ধৰি ডিব্ৰুগড় জিলা কলেজ কৰ্মচাৰী সংস্থাৰ সভাপতি প্ৰদীপ শইকীয়া, সম্পাদক মৃদুল শইকীয়া, তিনিচুকীয়া জিলা কলেজ কৰ্মচাৰী সংস্থাৰ সম্পাদক নবুল বৰাকে ধৰি অসম কলেজ কৰ্মচাৰী কেন্দ্ৰীয় গোটৰ বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে। শেষত কানৈ মহাবিদ্যালয়ৰ কৰ্মচাৰী ভূৱন জ্যোতি বৰুৱাৰ শলাগৰ শৰাই আৰু অসম সংগীতেৰে দিনজোৰা এই প্ৰশিক্ষণ কাৰ্যসূচীৰ সফল সমাপ্তি ঘটে।

---

নোহোৱাৰ দৰে হৈছে। ডেকাই আক্ষেপ কৰি কয় যে সম্প্ৰতি মহিলাতকৈ পুৰুষৰ শিল্পী কণ্ঠ নোহোৱাৰ দৰে হৈছে। বিশিষ্ট গীতিকাৰ হেম বুঢ়াগোহাঁই আৰু গীতিকাৰ, সুৰকাৰ হীৰেন গোহাঁয়ে লিখা আৰু সুৰেশ হাতীমূৰীয়াই কণ্ঠদান কৰা গীত দুটিৰ সম্পৰ্কত গীতিকাৰ প্ৰশান্ত বৰদলৈয়ে কয় যে প্ৰথমাৱস্থাত গান ৰেকৰ্ডিং কৰিবলৈ কলিকতা, মুম্বাইলৈ যাবলগা হৈছিল, কিন্তু বৰ্তমান সেই দিন আৰু নাই। এতিয়া ৰেডিঅ'ৰ লগে লগে প্ৰায় ঘৰে ঘৰে ষ্টুডিঅ' হৈছে। গানবোৰ এতিয়া ঘৰতে ৰেকৰ্ডিং কৰিব পৰা হৈছে। আমাৰ ভিতৰত বহু সুকণ্ঠৰ গায়ক-গায়িকা আছে, সেইসকলক আমি আগুৱাই আনিব লাগিব। গীতিকাৰ সত্যেন শৰ্মাই কয় যে পূৰ্বতকৈ আকাশবাণীৰ উন্নতি হৈছে আৰু এতিয়া গান ৰেকৰ্ডিঙৰ সকলো সুবিধা আছে। অনুষ্ঠানত অংগ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক, লেখিকা ড০ ভাৰতী দত্তই কয় যে এটা গান লিখিবলৈ বহুত সাধনা লাগে। নতুন প্ৰজন্মই কিছুমান গীত ৰচনা কৰে, সেইবোৰৰ বেছিভাগেই তৰল, পুৰণা গীতিকাৰসকলে সেইবোৰ গীত নিলিখে আৰু তেনেকুৱা গীত নিলিখিবলৈ তেওঁ যুৱ প্ৰজন্মক আহ্বান জনায়। গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী ৰাজেন গোহাঁয়ে তেওঁৰ ভাষণত পূৰ্বৰ স্মৃতি সুঁৱৰি কিছুমান ৰসাল কথাৰে সকলোকে আকৃষ্ট কৰে। কণ্ঠশিল্পী তথা আকাশবাণীৰ অৱসৰপ্ৰাপ্ত বিষয়া সুৰেশ হাতীমূৰীয়াই দুয়োটা গীত নিজে কণ্ঠদান কৰা সম্পৰ্কত তেওঁ গীত দুটা ৰচনা কৰা হেম বুঢ়াগোহাঁই আৰু হীৰেন গোহাঁইক ধন্যবাদ জ্ঞাপন কৰে লগতে বাদ্য যন্ত্ৰত সহযোগ কৰা বিনন্দ কাকতি, দেৱজিৎ গগৈ, বকুল দাস, পলাশ কাঞ্চন, জগত গগৈ আৰু দেৱজিৎ গগৈক আন্তৰিক ধন্যবাদ জনায়। অনুষ্ঠানৰ আঁত ধৰা আৰু শলাগৰ শৰাই আগবঢ়ায় কণ্ঠশিল্পী অনুপম দত্তই।

